# অধ্যায়-১৫

# পৃষ্ঠাংকণ
# (ENDORSEMENT)

**পৃষ্ঠাংকণ** (Endorsement) ঃ

হস্তান্তৰযোগ্য দলীলৰ ‘পৃষ্ঠাংকণ’ শব্দটোৰ অৰ্থ হৈছে হস্তান্তৰৰ উদ্দেশ্যে দলীলখনৰ পিছফালে এজন ব্যক্তিৰ নাম লিখা।

যেতিয়া এজন ব্যক্তিয়ে হস্তান্তৰযোগ্য দলীল এখন অন্য এজন ব্যক্তিলৈ এনেদৰে স্বাক্ষৰ আৰু হস্তান্তৰ কৰে যাতে পৰিশোধ গ্ৰহণ কৰাৰ অধিকাৰ আন জন ব্যক্তিলৈ হস্তান্তৰিত হয়, তেতিয়া ইয়াক পৃষ্ঠাংকণ বুলি কোৱা হয়।

বাহক দলীল এখন কেৱল সমৰ্পণৰ দ্বাৰা হস্তান্তৰ কৰিব পাৰি। আনহাতে আদেশ অনুযায়ী/মতে পৰিশোধযোগ্য হস্তান্তৰযোগ্য দলীল এখন কেৱল পৃষ্ঠাংকণ আৰু সমৰ্পণৰ দ্বাৰাহে হস্তান্তৰ কৰিব পাৰি।

পৃষ্ঠাংকণ দলীলখনৰ পিছফালে কৰা হয়। কিন্তু যদি দলীলখনৰ পিছফালে পৃষ্ঠাংকণ কৰিবলৈ ঠাই নাথাকে, তেতিয়া দলীলখনৰ সৈতে এটুকুৰা পৃথক কাগজ সংলগ্ন /সংযোগ কৰি পৃষ্ঠাংকণ কৰিব পাৰি। এনেদৰে সংলগ্ন কাগজখনক এলংগী (Allonge) বুলি কোৱা হয়।

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ১৫ নং ধাৰা অনুসৰি ‘সম্প্ৰদেয় পত্ৰৰ লিখকে (কিন্তু আৰ্হতা (drawer) হিচাপে নহয়) বা ধাৰকে ইয়াক হস্তান্তৰৰ উদ্দেশ্যে যেতিয়া ইয়াৰ পিঠিত বা সন্মুখত বা ইয়াত গাঁথি দিয়া কাকতত নতুবা সম্প্ৰদেয় পত্ৰ হিচাপে সকলো কৰিবলগীয়া মোহৰ লগোৱা কাকতত চহী কৰি দিয়ে, তেতিয়া তেওঁ তাক পৃষ্ঠাংকণ কৰা বোলে আৰু তেওঁক পৃষ্ঠাংকণকাৰী বোলে।

**বৈধ পৃষ্ঠাংকণৰ প্ৰয়োজনীয়তা**

(Requirements or essentials of a valid endorsement) ঃ

বৈধ পৃষ্ঠাংকণৰ প্ৰধান প্ৰয়োজনীয়তা/অত্যাৱশ্যকীয়বোৰ তলত উল্লেখ কৰা হ'ল ঃ

১। পৃষ্ঠাংকণ হস্তান্তৰযোগ্য পত্ৰখনত বা ইয়াত সংলগ্ন কাকতখনত কৰিব লাগিব।

২। পৃষ্ঠাংকণ হস্তান্তৰযোগ্য পত্ৰৰ ধাৰকে কৰিব লাগিব। এজন অচিনাকি ব্যক্তিয়ে হস্তান্তৰযোগ্য পত্ৰ এখন পৃষ্ঠাংকণ কৰিব নোৱাৰে, যদিহে তেওঁ যথাবিহিত ধাৰক নহয়।

৩। কোনো শব্দ যোগ দিয়া বা নিদিয়াকৈ পৃষ্ঠাংকণকাৰীৰ স্বাক্ষৰ অত্যাৱশ্যকীয়। হস্তান্তৰযোগ্য পত্ৰত যি বানানেৰে পৃষ্ঠাংকণকাৰীৰ নাম লিখা থাকে, সেই একে বানানেৰে পৃষ্ঠাংকণ কৰিব লাগে।

৪। হস্তান্তৰযোগ্য পত্ৰত উল্লেখিত সম্পূৰ্ণ ধনৰ পৰিমাণৰ বাবে পৃষ্ঠাংকণ কৰিব লাগিব। হস্তান্তৰযোগ্য পত্ৰত উল্লেখিত ধনৰ পৰিমাণৰ এটা অংশৰ বাবে পৃষ্ঠাংকণ কৰিব নোৱাৰি।

৫। হস্তান্তৰযোগ্য পত্ৰখন সমৰ্পণ কৰিলেহে পৃষ্ঠাংকণ সম্পূৰ্ণ হয়। হস্তান্তৰযোগ্য পত্ৰখন পৃষ্ঠাংকণকাৰীয়ে নিজেই সমৰ্পণ/প্ৰদান কৰিব লাগিব।

**পৃষ্ঠাংকণৰ তাৎপৰ্য** (Significance of Endorsement) ঃ

হস্তান্তৰযোগ্য পত্ৰৰ পৃষ্ঠাংকণকাৰীয়ে ইয়াক পৃষ্ঠাংকণ কৰি তেওঁৰ পৃষ্ঠাংকণগ্ৰহীতাক আৰু পৰৱৰ্তী যিকোনো ধাৰকক ইয়াকে সুচায় যে যেতিয়া হস্তান্তৰযোগ্য পত্ৰখন তেওঁৰ হাতৰ পৰা ওলাই গৈছিল তেতিয়া—

১। হস্তান্তৰযোগ্য পত্ৰখনত তেওঁৰ এটা ভাল স্বত্ব আছিল।

২। তেওঁ ইয়াক পৃষ্ঠাংকণ কৰাৰ সময়ত ইয়াৰ সকলো বিৱৰণ শুদ্ধ/প্ৰকৃত আছিল।

৩। পূৰ্বৱৰ্তী সকলো পৃষ্ঠাংকণ প্ৰকৃত আছিল।

৪। পৃষ্ঠাংকণে পৃষ্ঠাংকগ্ৰহীতাক মালিকীস্বত্বৰ অধিকাৰৰ লগতে পৰৱৰ্তী হস্তান্তৰৰ অধিকাৰ প্ৰদান কৰে।

৫। তেওঁৰ পৃষ্ঠাংকণ কাৰ্য্যৰ দ্বাৰা, পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখন অসন্মানিত হোৱাৰ বাবে সন্মুখীন হোৱা যিকোনো ক্ষতিৰ বাবে পৃষ্ঠাংকণগ্ৰহীতা বা পৰৱৰ্তী যিকোনো ধাৰকক ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে, যদিহে অসন্মানৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰক্ৰিয়াটো যথাযথভাৱে অনুসৰণ কৰা হয়।

**কোনে পৃষ্ঠাংকণ কৰিব পাৰে** (Who can endorse) ?

১। **ধাৰক** (Holder) **ঃ** হস্তান্তৰযোগ্য পত্ৰৰ ধাৰকে পৃষ্ঠাংকণ কৰিব পাৰে।

২। **আৰ্হতা বা প্ৰস্তুতকাৰক** (Drawer) **ঃ** হস্তান্তৰযোগ্য পত্ৰৰ আৰ্হতাই বা প্ৰস্তুতকাৰকে পৃষ্ঠাংকণ কৰিব পাৰে।

৩। **প্ৰাপক** (Payee) **ঃ** হস্তান্তৰযোগ্য পত্ৰৰ প্ৰাপক বা পৃষ্ঠাংকণগ্ৰহীতা বা তেওঁলোকৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিয়ে পৃষ্ঠাংকণ কৰিব পাৰে।

**পৃষ্ঠাংকণৰ প্ৰকাৰ** (Kinds of Endorsement) **ঃ**

১৮৮১ চনৰ হস্তান্তৰযোগ্য পত্ৰ আইন অনুসৰি পৃষ্ঠাংকণ নিম্নলিখিত যিকোনো প্ৰকাৰৰ হ'ব পাৰে।

১। **সাধাৰণ বা মুকলি পৃষ্ঠাংকণ** (General or Blank Endorsement) ঃ

যেতিয়া পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰৰ পিছফালে কেৱল তেওঁৰ নাম স্বাক্ষৰ কৰে, তেনেকুৱা পৃষ্ঠাংকণক সাধাৰণ বা মুকলি পৃষ্ঠাংকণ বুলি কোৱা হয়। মুকলি পৃষ্ঠাংকণত কোনো নিৰ্দিষ্ট পৃষ্ঠাংকণগ্ৰহীতাৰ নাম উল্লেখ নাথাকে কাৰণে হস্তান্তৰযোগ্য পত্ৰখন বাহকক পৰিশোধযোগ্য হৈ পৰে। মুকলি পৃষ্ঠাংকণ কৰা চেকবোৰ কেৱল সমৰ্পণৰ দ্বাৰাই হস্তান্তৰ কৰিব পাৰি। সেয়েহে, মুকলি পৃষ্ঠাংকণৰ দ্বাৰা আদেশমতে পৰিশোধযোগ্য চেক এখন বাহকক পৰিশোধযোগ্য হৈ পৰে।

উদাহৰণস্বৰূপে—

Umesh Alamyan

22-02-2002

২। **বিশেষ বা সম্পূৰ্ণ পৃষ্ঠাংকণ** (Special or Full Endorsement) ঃ

হস্তান্তৰৰ উদ্দেশ্যে পৃষ্ঠাংকণকাৰীয়ে নিজৰ স্বাক্ষৰৰ উপৰিও কালৈ (কোন ব্যক্তিলৈ) হস্তান্তৰ কৰিলে, তেওঁৰ নাম লিখি দিলে, ইয়াক সম্পূৰ্ণ বা বিশেষ পৃষ্ঠাংকণ বোলে। এনেদৰে নিৰ্ধাৰিত নাম লিখি দিয়া ব্যক্তিজনক হস্তান্তৰযোগ্য পত্ৰখনৰ পৃষ্ঠাংকণগ্ৰহীতা বুলি কোৱা হয়। যিকোনো ধাৰকৰ দ্বাৰা এটা মুকলি পৃষ্ঠাংকণ এটা বিশেষ পৃষ্ঠাংকণলৈ ৰূপান্তৰ কৰিব পাৰি। ধাৰকে এজন পৃষ্ঠাংকণগ্ৰহীতাৰ নাম নিৰ্দিষ্ট কৰি লিখি দি আৰু তেওঁৰ স্বাক্ষৰ কৰি এইটো কৰিব পাৰে। সম্পূৰ্ণ পৃষ্ঠাংকণৰ জৰিয়তে বাহক চেক এখন আদেশী চেকলৈ ৰূপান্তৰ কৰিব পাৰি।

উদাহৰণস্বৰূপে—

Pay to Bhaben Sarma

Umesh Alamyan

22-02-2022

৩। **নিষেধক পৃষ্ঠাংকণ** (Restrictive endorsement) ঃ

হস্তান্তৰযোগ্য পত্ৰখনৰ পৰৱৰ্তী হস্তান্তৰ নিষেধ কৰি কৰা পৃষ্ঠাংকণক নিষেধক পৃষ্ঠাংকণ বুলি কোৱা হয়। এনে ক্ষেত্ৰত পৃষ্ঠাংকণগ্ৰহীতাই ইয়াক আৰু পৃষ্ঠাংকণ কৰিব নোৱাৰে। এই পৃষ্ঠাংকণত সাধাৰণতে পৃষ্ঠাংকণগ্ৰহীতাৰ নামৰ পিছত /শেষত 'কেৱল' শব্দটো যোগ দিয়া হয়।

উদাহৰণস্বৰূপে—

Pay to Bhaben Sarma only

Umesh Alamyan

22-02-2022

ওপৰত উল্লেখিত উদাহৰণটোৰ ক্ষেত্ৰত, ভৱেন শৰ্মাইহে কেৱল পুঁজি গ্ৰহণ কৰিব পাৰে। হস্তান্তৰযোগ্য পত্ৰখন তেওঁ আৰু কাকো পৃষ্ঠাংকণ কৰিব নোৱাৰে।

৪। **চৰ্তসাপেক্ষ পৃষ্ঠাংকণ** (Conditional Endorsement) ঃ ই হৈছে এক পৃষ্ঠাংকণ যাৰ অধীনত পৃষ্ঠাংকণকাৰীয়ে পৰিশোধ কৰাৰ আগতে পৃষ্ঠাংকণগ্ৰহীতাৰ দ্বাৰা পূৰণ কৰিবলগীয়া কিছুমান চৰ্ত নিৰ্ধাৰণ কৰে। এটা নিৰ্দিষ্ট চৰ্ত পূৰণ সাপেক্ষেহে পৃষ্ঠাংকণগ্ৰহীতাই ধন গ্ৰহণ কৰাৰ অধিকাৰ পায়।

উদাহৰণস্বৰূপে—

(a) 'Pay to Gitartha Alamyan on arrival of Haren Gogoi'

Umesh Alamyan

22-02-2022

(b) 'Pay to Khagen Boro on completion of the house building'

Umesh Alamyan

22-02-2022

চৰ্তসাপেক্ষ পৃষ্ঠাংকণ নিম্নলিখিত প্ৰকাৰৰ হ'ব পাৰে—

(ক) ছেনছ ৰিক'ৰ্ছ পৃষ্ঠাংকণ (Sans Recourse Endorsement)

পৃষ্ঠাংকণকাৰীৰ দায়িত্ব সীমিত কৰা পৃষ্ঠাংকণক ছেনছ ৰিক'ৰ্ছ পৃষ্ঠাংকণ বুলি কোৱা হয়। এই পৃষ্ঠাংকণে পৃষ্ঠাংকণকাৰীক পৰৱৰ্তী যিকোনো ধাৰকৰ সকলো দায়িত্বৰ পৰা মুক্ত কৰে।

উদাহৰণস্বৰূপে—

'Pay to Bimala Alamyan or order without recourse to me'

Umesh Alamyan

22-02-2022

(খ) ছেনছ ফ্ৰাইছ পৃষ্ঠাংকণ (Sans Frais Endoresement)ঃ

ছেনছফ্ৰাইছৰ অৰ্থ হৈছে 'ব্যয় অবিহনে'। এই পৃষ্ঠাংকণত পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখনৰ ক্ষেত্ৰত/ সম্পৰ্কত তেওঁৰ ফালৰ পৰা কোনো ব্যয় হোৱাটো নিবিচাৰে। ইয়াত পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখনৰ ধনৰ পৰিমাণৰ বাবে তেওঁৰ দায়বদ্ধতা স্বীকাৰ কৰে। কিন্তু পৃষ্ঠাংকণকাৰীয়ে কোনো অতিৰিক্ত ব্যয় (বহন কৰিব) তেওঁৰ দ্বাৰা বহন কৰাটো নিবিচাৰে।

উদাহৰণস্বৰূপে—

'Pay to Praneet Kishore or order without expense to me'

Umesh Alamyan

22-02-2022

(গ) **গুণগত পৃষ্ঠাংকণ** (Facultatives Endoresements)ঃ

গুণগত পৃষ্ঠাংকণ হৈছে এনে এক পৃষ্ঠাংকণ যাৰ দ্বাৰা পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখনৰ ওপৰত/ক্ষেত্ৰত তেওঁৰ কিছু অধিকাৰ ত্যাগ কৰে। ইয়াৰ অৰ্থ হৈছে যে ভৱিষ্যতৰ পৃষ্ঠাংকণকাৰীসকলে গুণগত পৃষ্ঠাংকণ কৰা পৃষ্ঠাংকণকাৰীক অসন্মানৰ/প্ৰত্যাখানৰ জাননী প্ৰদান কৰাৰ প্ৰয়োজন নাই। অৰ্থাৎ

তেনে জাননী নাপালেও পৃষ্ঠাংকণকাৰী দায়ী থাকিব।

উদাহৰণস্বৰূপে—

'Pay to Pradyumna Kotoky or order. Notice of dishonour waived.'

Umesh Alamyan

22-02-2022

(ঘ) **আংশিক পৃষ্ঠাংকণ** (Partial Endorsement)ঃ

আংশিক পৃষ্ঠাংকণ হৈছে এক পৃষ্ঠাংকণ, যাৰ দ্বাৰা হস্তান্তৰযোগ্য পত্ৰখনৰ ধনৰ পৰিমাণৰ কেৱল এটা অংশহে পৃষ্ঠাংকণ কৰা হয়। আংশিক পৃষ্ঠাংকণ বৈধ নহয়।

উদাহৰণস্বৰূপে—

1000.00 টকাৰ চেক এখন উমেশ অলম্যানৰ দ্বাৰা নিম্নলিখিত ধৰণে পৃষ্ঠাংকণ কৰা হ'ল ঃ

'Pay to Rion Alamyan Rs. 500 only'.

Umesh Alamyan

22-02-2022

## সাৰাংশ

- **পৃষ্ঠাংকণ—**

হস্তান্তৰযোগ্য দলীলৰ ‘পৃষ্ঠাংকণ’ শব্দটোৰ অৰ্থ হৈছে হস্তান্তৰৰ উদ্দেশ্যে দলীলখনৰ পিছফালে এজন ব্যক্তিৰ নাম লিখা।

যেতিয়া এজন ব্যক্তিয়ে হস্তান্তৰযোগ্য দলীল এখন অন্য এজন ব্যক্তিলৈ এনেদৰে স্বাক্ষৰ আৰু হস্তান্তৰ কৰে যাতে পৰিশোধ গ্ৰহণ কৰাৰ অধিকাৰ আন জন ব্যক্তিলৈ হস্তান্তৰিত হয়, তেতিয়া ইয়াক পৃষ্ঠাংকণ বুলি কোৱা হয়।

- **পৃষ্ঠাংকণৰ তাৎপৰ্য—**

হস্তান্তৰযোগ্য পত্ৰৰ পৃষ্ঠাংকণকাৰীয়ে ইয়াক পৃষ্ঠাংকণ কৰি তেওঁৰ পৃষ্ঠাংকণগ্ৰহীতাক আৰু পৰৱৰ্তী যিকোনো ধাৰকক ইয়াকে সূচায় যে যেতিয়া হস্তান্তৰযোগ্য পত্ৰখন তেওঁৰ হাতৰ পৰা ওলাই গৈছিল তেতিয়া—

১। হস্তান্তৰযোগ্য পত্ৰখনত তেওঁৰ এটা ভাল স্বত্ব আছিল।

২। তেওঁ ইয়াক পৃষ্ঠাংকণ কৰাৰ সময়ত ইয়াৰ সকলো বিৱৰণ শুদ্ধ/প্ৰকৃত আছিল।

৩। পূৰ্বৱতী সকলো পৃষ্ঠাংকণ প্ৰকৃত আছিল।

৪। পৃষ্ঠাংকণে পৃষ্ঠাংকগ্ৰহীতাক মালিকীস্বত্বৰ অধিকাৰৰ লগতে পৰৱৰ্তী হস্তান্তৰৰ অধিকাৰ প্ৰদান কৰে।

৫। তেওঁৰ পৃষ্ঠাংকণ কাৰ্য্যৰ দ্বাৰা, পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখন অসন্মানিত হোৱাৰ বাবে সন্মুখীন হোৱা যিকোনো ক্ষতিৰ বাবে পৃষ্ঠাংকণগ্ৰহীতা বা পৰৱৰ্তী যিকোনো ধাৰকক ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

- **কোনে পৃষ্ঠাংকণ কৰিব পাৰে—**

১। **ধাৰক ঃ** হস্তান্তৰযোগ্য পত্ৰৰ ধাৰকে পৃষ্ঠাংকণ কৰিব পাৰে।

২। **আৰ্হতা বা প্ৰস্তুতকাৰক ঃ** হস্তান্তৰযোগ্য পত্ৰৰ আৰ্হতাই বা প্ৰস্তুতকাৰকে পৃষ্ঠাংকণ কৰিব পাৰে।

৩। **প্ৰাপক ঃ** হস্তান্তৰযোগ্য পত্ৰৰ প্ৰাপক বা পৃষ্ঠাংকণগ্ৰহীতা বা তেওঁলোকৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিয়ে পৃষ্ঠাংকণ কৰিব পাৰে।

- **পৃষ্ঠাংকণৰ প্ৰকাৰ—**

১। **সাধাৰণ বা মুকলি পৃষ্ঠাংকণ ঃ** যেতিয়া পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰৰ পিছফালে কেৱল তেওঁৰ নাম স্বাক্ষৰ কৰে, তেনেকুৱা পৃষ্ঠাংকণক সাধাৰণ বা মুকলি পৃষ্ঠাংকণ বুলি কোৱা হয়।

২। **বিশেষ বা সম্পূৰ্ণ পৃষ্ঠাংকণ ঃ** হস্তান্তৰৰ উদ্দেশ্যে পৃষ্ঠাংকণকাৰীয়ে নিজৰ স্বাক্ষৰৰ উপৰিও কালৈ (কোন ব্যক্তিলৈ) হস্তান্তৰ কৰিলে, তেওঁৰ নাম লিখি দিলে, ইয়াক সম্পূৰ্ণ বা বিশেষ পৃষ্ঠাংকণ বোলে।

৩। **নিষেধক পৃষ্ঠাংকণ ঃ** হস্তান্তৰযোগ্য পত্ৰখনৰ পৰৱৰ্তী হস্তান্তৰ নিষেধ কৰি কৰা পৃষ্ঠাংকণক নিষেধক পৃষ্ঠাংকণ বুলি কোৱা হয়। এনে ক্ষেত্ৰত পৃষ্ঠাংকণগ্ৰহীতাই ইয়াক আৰু পৃষ্ঠাংকণ কৰিব নোৱাৰে।

৪। **চৰ্তসাপেক্ষ পৃষ্ঠাংকণ ঃ** ই হৈছে এক পৃষ্ঠাংকণ যাৰ অধীনত পৃষ্ঠাংকণকাৰীয়ে পৰিশোধ কৰাৰ আগতে পৃষ্ঠাংকণগ্ৰহীতাৰ দ্বাৰা পূৰণ কৰিবলগীয়া কিছুমান চৰ্ত নিৰ্ধাৰণ কৰে।

**চৰ্তসাপেক্ষ পৃষ্ঠাংকণ নিম্নলিখিত প্ৰকাৰৰ হ'ব পাৰে—**

(ক) **ছেনছ ৰিক'ৰ্ছ পৃষ্ঠাংকণ ঃ** এই পৃষ্ঠাংকণে পৃষ্ঠাংকণকাৰীক পৰৱৰ্তী যিকোনো ধাৰকৰ সকলো দায়িত্বৰ পৰা মুক্ত কৰে।

(খ) **ছেনছ ফ্ৰাইছ পৃষ্ঠাংকণ ঃ** ছেনছফ্ৰাইছিৰ অৰ্থ হৈছে 'ব্যয় অবিহনে'। এই পৃষ্ঠাংকণত পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখনৰ ক্ষেত্ৰত/ সম্পৰ্কত তেওঁৰ ফালৰ পৰা কোনো ব্যয় হোৱাটো নিবিচাৰে।

(গ) **গুণগত পৃষ্ঠাংকণ ঃ** গুণগত পৃষ্ঠাংকণ হৈছে এনে এক পৃষ্ঠাংকণ যাৰ দ্বাৰা পৃষ্ঠাংকণকাৰীয়ে হস্তান্তৰযোগ্য পত্ৰখনৰ ওপৰত/ক্ষেত্ৰত তেওঁৰ কিছু অধিকাৰ ত্যাগ কৰে।

(ঘ) **আংশিক পৃষ্ঠাংকণ ঃ** আংশিক পৃষ্ঠাংকণ হৈছে এক পৃষ্ঠাংকণ, যাৰ দ্বাৰা হস্তান্তৰযোগ্য পত্ৰখনৰ ধনৰ পৰিমাণৰ কেৱল এটা অংশহে পৃষ্ঠাংকণ কৰা হয়। আংশিক পৃষ্ঠাংকণ বৈধ নহয়।

——